# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 01-06-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ আৰম্ভ হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ২০২৩-২৪ বৰ্ষৰ চতুৰ্থ ত্ৰিমাসিকৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ তথ্যই ভাৰতীয় অৰ্থ ব্যৱস্থাৰ সাফল্যৰ কথাকে প্ৰতিফলিত কৰে।

৩। অসমৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। ৰাজ্যখনত বানত বৰ্তমানলৈকে ৮ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু ১১ খন জিলাত প্ৰায় ৩ লাখ ৫০ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে।

৪। উত্তৰ প্ৰদেশত গ্ৰীষ্ম প্ৰবাহৰ ফলত কালি ১৩ জন লোকে প্ৰাণ হেৰুৱায়।

*আৰু*

৫। বিশ্ব চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক বিজেতা নিশান্ত দেৱ পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় পুৰুষ বক্সাৰ ৰূপে পৰিগণিত হৈছে।

ooooo

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে আৰম্ভ হৈছে। এই পৰ্যায়ত দেশৰ ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭টা সমষ্টি সামৰি লোৱা হৈছে। এই পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩ খনকৈ, পশ্চিমবংগৰ ৯ খন, বিহাৰৰ ৮ খন, ওড়িশাৰ ছখন, হিমাচল প্ৰদেশৰ ৪ খন, ঝাৰখণ্ডৰ ৩খন আৰু চণ্ডীগড়ৰ এখন সংসদীয় আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা হ'ব। অন্তিম পৰ্যায়ত ১০ কোটি ৬০ লাখৰো অধিক ভোটদাতাই ৯০৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ইয়াৰে ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ, ৰবিশংকৰ প্ৰসাদ, অভিনেত্ৰী কংগনা ৰাণাৱট, তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জী, পাঞ্জাবৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা চৰণজিৎ সিং চান্নী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী হৰছিমৰাৎ কৌৰ বাদল, আৰ. জে. ডিৰ মুৰব্বী লালুপ্ৰসাদ যাদৱৰ কন্যা মিছা ভাৰতী, কংগ্ৰেছ নেতা মণীষ তিৱাৰী, বিক্ৰমাদিত্য সিং অন্যতম। আয়োগে ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ১০ লাখ ৯০ হাজাৰৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে। বয়োজ্যেষ্ঠ আৰু দিব্যাংগসহ প্ৰতিগৰাকী ভোটাৰে যাতে সহজে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰে, তাৰবাবে ভোটগ্ৰহণ কেন্দ্ৰসমূহত খোৱাপানী, বিশ্ৰামস্থলী, শৌচালয়, বিদ্যুৎ, ৰেম্প, হুইল চেয়াৰ আদিৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু সংশ্লিষ্ট বিষয়াসকলক গৰমৰ ফলত উদ্ভৱ হ'ব পৰা পৰিস্থিতিৰ সন্মুখীন হোৱাৰ

বাবে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে। নিৰ্বাচন হ'বলগীয়া এলেকাসমূহত অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ লগতে মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অবৈধ সুৰা, মাদকদ্ৰব্য, নগদ ধনৰ সৰবৰাহ ৰোধ কৰাৰ বাবে মুঠ ২০১টা আন্তঃৰাষ্ট্ৰীয় সীমান্ত চকী আৰু ৯০৬টা আন্তঃৰাজ্যিক সীমান্ত চকীৰ ওপৰত চোকা নজৰ ৰখা হৈছে।

সপ্তম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ লগে লগে ১৯ এপ্ৰিলত আৰম্ভ হোৱা লোকসভা নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। প্ৰথম ৬টা পৰ্যায়ত ইতিমধ্যে ৪৮৬ খন আসনৰ বাবে ভোটগ্ৰহণ সম্পূৰ্ণ হৈছে। ৪ জুনত ভোটগণনা কৰা হ'ব।

ooooo

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কৈছে যে, নিৰ্বাচনোত্তৰ সমীক্ষাত অংশগ্ৰহণ নকৰাৰ বাবে কংগ্ৰেছে লোৱা সিদ্ধান্তৰ পৰা দলটোৱে যে ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ ফলাফল আগতীয়াকৈ মানি লৈছে সেয়া স্পষ্ট হৈ পৰিছে। তেওঁ কয় যে, কংগ্ৰেছে নিৰ্বাচনত জয়ী হোৱাত গুৰুত্ব আৰোপ কৰাৰ পৰিৱৰ্তে সু প্ৰতিষ্ঠিত নিৰ্বাচনী প্ৰক্ৰিয়া বিনষ্ট কৰাৰ বাবে অপমানজনক দাবীৰ সৈতে বাৰে বাৰে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ২০২৩-২৪ বৰ্ষৰ চতুৰ্থ ত্ৰিমাসিকৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ তথ্যই ভাৰতীয় অৰ্থ ব্যৱস্থাৰ সাফল্যৰ কথাকেই প্ৰতিফলিত কৰে। এই তথ্যৰ পৰা ভাৰতীয় অৰ্থ ব্যৱস্থাৰ বিকাশ হাৰ যে আৰু বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে সেয়াও স্পষ্ট হৈ পৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। সামাজিক মাধ্যম যোগে দেশৰ জনসাধাৰণক ধন্যবাদ জনাই শ্ৰীমোদীয়ে কয় যে, ২০২৩-২৪ বৰ্ষৰ বাবে ৮ দশমিক ২ শতাংশৰ বিকাশ হাৰে ভাৰত যে, গোলকীয় পৰ্যায়ৰ গুৰুত্বপূৰ্ণ অৰ্থ ব্যৱস্থাসমূহৰ ভিতৰত সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থা হৈ আছে তাকেই প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে ইয়াক আহিবলগীয়া দিনৰ ট্ৰেইলাৰ বুলি অভিহিত কৰিছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পে নাড্ডাইয়ো চতুৰ্থ ত্ৰিমাসিকৰ মুঠ ঘৰুৱা উৎপদানৰ বিকাশ হাৰৰ তথ্যৰ প্ৰশংসা কৰিছে। শ্ৰীনাড্ডাই সামাজিক মাধ্যম যোগে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত ভাৰতীয় অৰ্থ ব্যৱস্থা ২০২৩-২৪ বৰ্ষৰ বিত্তীয় বৰ্ষৰ বাবে ৮ দশমিক ২ শতাংশৰ চমকপ্ৰদ বিকাশ হাৰেৰে অগ্ৰসৰ হৈছে আৰু গুৰুত্বপূৰ্ণ গোলকীয় ব্যৱস্থাসমূহৰ ভিতৰত সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থা ৰূপে পৰিগণিত হৈছে। তেওঁ এই অভূতপূৰ্ব মাইলৰখুঁটিক দেশক প্ৰগতি আৰু সমৃদ্ধিৰ নজিৰবিহীন পৰ্যায়লৈ লৈ যোৱা প্ৰধানমন্ত্ৰী মোদীৰ ৰূপান্তৰকাৰী নীতি আৰু ভাৰতীয় নাগৰিকসকলৰ অক্লান্ত নিষ্ঠাৰ প্ৰমাণ বুলি অভিহিত কৰে।

ooooo

চলিত বিত্তীয় বৰ্ষত দেশৰ প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৮ দশমিক ২ শতাংশ হোৱাৰ সম্ভাৱনা আছে। যোৱাটো বিত্তীয় বৰ্ষত মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ৭ শতাংশ আছিল। পৰিসংখ্যা আৰু কাৰ্য্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, ২০২৩-২৪ বৰ্ষত মুঠ প্ৰকৃত ঘৰুৱা উৎপাদনে ১৭৩ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি অনুমান কৰা হৈছে।

ooooo

অসমৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। সাম্প্ৰতিক বানত ৮ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু ১১ খন জিলাত প্ৰায় ৩ লাখ ৫০ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। ৰীমাল ঘূৰ্ণী বতাহৰ প্ৰভাৱত হৈ থকা নেৰা-নেপেৰা বৰষুণৰ বাবে ৰাজ্যখনৰ মাজেৰে বৈ যোৱা ঘাই ঘাই নৈসমূহৰ জলস্তৰ ক্ৰমাৎ বৃদ্ধি পাইছে। ৰাজ্যখনত এইবাৰৰ বানত ২৫টা ৰাজহ চক্ৰৰ মুঠ ৫৬০ খন গাঁও ক্ষতিগ্ৰস্ত হৈছে আৰু ৪ হাজাৰ ৯০০ৰো অধিক হেক্টৰ কৃষিভূমিৰ শস্য নষ্ট হৈছে।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে বাঢ়নী পানীয়ে কেইবাখনো জিলাৰ বাট আৰু অন্য আন্তঃগাঁথনিৰ ক্ষতি কৰিছে। কাছাৰ, কৰিমগঞ্জ আৰু নগাঁও জিলাত বানৰ ফলত সৰ্বাধিক ক্ষতি হৈছে। ৰাজ্য চৰকাৰে বান প্ৰভাৱিত জিলাসমূহত ১৪৮টা আশ্ৰয় শিৱিৰ আৰু ৩৯টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে। উদ্ধাৰ আৰু সাহায্য অভিযানত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দল নিয়োগ কৰা হৈছে। কপিলী, বৰাক, কাটাখাল আৰু কুশিয়াৰা নৈৰ পানী বিপদ সীমাৰ ওপৰেৰে বৈ আছে।

ooooo

উত্তৰ প্ৰদেশত প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহৰ ফলত কালি নিৰ্বাচনৰ দায়িত্বত নিয়োজিত গৃহৰক্ষী বাহিনীৰ ৭ গৰাকী জোৱানকে ধৰি মুঠ ১৩ গৰাকী লোকৰ মৃত্যু হৈছে। মৃত্যু হোৱা লোকসকল মীৰ্জাপুৰ, গোণ্ডা, প্ৰয়াগৰাজ, বস্তি আৰু কুশাম্বীৰ। আমাৰ সংবাদদাতাই জনোৱা মতে নিৰ্বাচনী দলসমূহ পলিটেকনিক চৌহদৰ পৰা ওলাই যোৱাৰ সময়তে কেইবাজনো লোক অসুস্থ হৈ পৰে আৰু তেওঁলোকক মহকুমা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ইয়াৰে কেইগৰাকীমানৰ চিকিৎসালয়লৈ যোৱাৰ পথতে মৃত্যু হয়। উল্লেখযোগ্য যে, মীৰ্জাপুৰত আজি ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

ooooo

দক্ষিণ আফ্ৰিকাত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় মিত্ৰজোঁটৰ চৰকাৰ গঠন হোৱাটো প্ৰায় নিশ্চিত হৈছে। কালি প্ৰকাশ পোৱা নিৰ্বাচনৰ প্ৰাৰম্ভিক ফলাফল অনুসৰি শাসনাধিষ্ঠিত আফ্ৰিকান নেচনেল কংগ্ৰেছ ANC দল সংখ্যাগৰিষ্ঠতা লাভত ব্যৰ্থ হৈছে। দেশখনৰ ৯ খন প্ৰদেশত হোৱা ৯০ শতাংশৰো অধিক ভোট গণনাৰ পাছত ANC-এ মাত্ৰ ৪১ শতাংশ ভোটহে লাভ কৰিবলৈ সক্ষম হৈছে। গণতান্ত্ৰিক মিত্ৰজোঁটে ২১ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে প্ৰাক্তন ৰাষ্ট্ৰপতি জেকব জুমাৰ এম কে দলে ১৩ শতাংশ ভোট লাভ কৰিছে। উল্লেখযোগ্য যে, বৰ্ণবৈষম্যৰ পৰিসমাপ্তিৰ পিছৰে পৰা বিগত ৩০ বছৰে ANC-এ সংখ্যাগৰিষ্ঠতা লাভ কৰি আহিছে আৰু বিগত ২০১৯ চনৰ নিৰ্বাচনত দলটোৱে ৫৭ দশমিক ৫ শতাংশ ভোট লাভ কৰিবলৈ সক্ষম হৈছিল।

ooooo

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা মঙলবাৰে লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৱা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

ooooo

বিশ্ব চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক বিজেতা নিশান্ত দেৱ পেৰিছ্ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় পুৰুষ বক্সাৰ ৰূপে পৰিগণিত হৈছে। নিশান্তে কালি বেংককত অনুষ্ঠিত বিশ্ব বক্সিং যোগ্যতা নিৰূপণ প্ৰতিযোগিতাৰ পুৰুষৰ ৭১ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ম'লডোভাৰ বাচিলে চিব'টেৰিক ৫-০ ফলাফলত পৰাভূত কৰি অলিম্পিকত খেলাৰ যোগ্যতা অৰ্জন কৰে।

০০০০০

**সমাপ্ত**